**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তী উপলক্ষে আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভা অধ্যক্ষ ওম বিৰলা, বহুকেইজন কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে লোকসভা দলৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে।

ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁক স্মৰণ কৰে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ লগতে শাসক বিৰোধীৰ বহুকেইজন নেতা-মন্ত্ৰীও দিল্লীৰ বিজয় ঘাটৰ নেতাগৰাকীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০

গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ আয়োজন কৰা হয়। যোৰাবাটৰ আৰ্হি হাস্পাতালৰ জ্যেষ্ঠ চিকিৎসক ডা০ নয়নমণি ৰাভাৰ লগতে বহুকেইজন চিকিৎসাকৰ্মীৰ উপস্থিতিত এই শিবিৰত বিনামূলীয়াকৈ ছাফাই কৰ্মীসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশিস ভাটনাগৰে এই স্বাস্থ্য শিবিৰ উদ্বোধন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা জৈৱ গেছ প্ৰকল্পৰ আঁচনিৰ কামৰ শুভাৰম্ভণিৰ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অধ্যক্ষতা কৰে। উল্লেখযোগ্য যে অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াত চাৰিটা এনে প্ৰকল্প স্থাপন কৰিবলৈ লৈছে। কেন্দ্ৰীয় চৰকাৰৰ ভৱিষ্যমুখী দীৰ্ঘস্থায়ী শক্তি সম্পৰ্কীয় দৃষ্টিভংগীৰ অধীনত ৰাজহুৱা খণ্ডৰ গোটলৈ আগবঢ়োৱা বিনিয়োগ আৰু ব্যক্তিগত উদ্যমীৰ সৈতে সহযোগিতাৰে ৰূপায়ণ কৰিবলগীয়া আঁচনিৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৱে এই প্ৰকল্পকেইটা স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

রাজ্যত প্ৰথম পৰ্যায়ত অহা ৪ আৰু ৫ অক্টোবৰত ৩৯ খন সমজিলাৰ কাৰ্যালয় মুকলি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। চৰকাৰৰ সিদ্ধান্ত অনুসৰি মন্ত্ৰীসকলে বিভিন্ন জিলালৈ গৈ এই দুদিনত সম জিলাৰ কাৰ্যালয়সমূহ মুকলি কৰিব আৰু সেইদিনাৰ পৰাই কাৰ্যালয়সমূহৰ কাম-কাজ আৰম্ভ হ'ব। প্ৰতিখন সমজিলাত একোজন এ ডি চি পৰ্যায়ৰ বিষয়া থাকিব আৰু তেওঁ সমজিলাৰ আয়ুক্ত বুলি জনা যাব। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰী আৰু ৭৫ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰক ডঃ বাণীকান্ত কাকতি বঁটাৰে স্কুটি প্ৰদান কৰাৰ সিদ্ধান্ততো কেবিনেটে অনুমোদন জনাইছে। সৰ্বমুঠ ৪০ হাজাৰ ৭৩৫ গৰাকী ছাত্ৰী, ৭ হাজাৰ ৯৩৮ জন ছাত্ৰক এই স্কুটি প্ৰদান কৰাৰ বাবে চৰকাৰে অনুমোদন জনায়। এই স্কুটিসমূহ প্ৰদানত ৰাজ্য চৰকাৰৰ ৩৪৫ কোটি ৭৫ লাখৰো অধিক ধন ব্যয় হ'ব। ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত কালি এই বিষয়ে প্ৰকাশ কৰে। অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ১৪ বৰ্ষৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন পৰৱৰ্তী অসম বিধানসভাৰ অধিবেশনত দাখিল কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনাইছে। তদুপৰি জাগীৰোডৰ ছেমি কনডাক্টৰ প্ৰকল্পত পানী যোগানৰ আঁচনিত কেবিনেটে অনুমোদন জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ১৫৫ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছ ভাৰত দিৱস, ২০২৪ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। স্বচ্ছতাৰ বাবে অন্যতম উল্লেখযোগ্য গণ আন্দোলন স্বচ্ছ ভাৰত অভিযান আৰম্ভ হোৱাৰ আজি ১০ বছৰ সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অনাময় আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ সৈতে জড়িত ৯ হাজাৰ ৬০০ কোটি টকাৰ অধিক মূল্যৰ কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰে। ইয়াৰ ভিতৰত আমৰুট আৰু আমৰুট ২.০ৰ অধীনত প্ৰকল্প, স্বচ্ছ গংগাৰ বাবে ৰাষ্ট্ৰীয় অভিযান আৰু গোবৰ্দ্ধন আঁচনিৰ অধীনত ১৫টা সংকুচিত বায়'গেছ প্ৰকল্প অন্যতম।

আনহাতে, স্বচ্ছতাই সেৱা ২০২৪ শীৰ্ষক পযেকীয়া কাৰ্যসূচীৰ সামৰণি উপলক্ষে গোলাঘাট জিলাৰ কাজিৰঙা সন্মিলন কেন্দ্ৰত স্বচ্ছ ভাৰত দিৱসৰ অনুষ্ঠানত ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে।

০০০০০০০

সমাপ্ত